Dailyassam.com

# গোট-৩ নৱম অধ্যায়


# আন্তৰ্জাতিক বাণিজ্য (International Trade)

তোমালোকে সপ্তম অধ্যায়ত তৃতীয়ক বৃত্তি হিচাবে বাণিজ্যৰ বিষয়ে অধ্যয়ন কৰিছা। বাণিজ্যৰ অৰ্থ হ'ল স্বতস্ফূৰ্তভাৱে সম্পাদন সামগ্ৰী কৰা সামগ্ৰী আৰু সেৱাৰ বিনিময়। ব্যৱসায় কৰিবলৈ দুটা দলৰ (Parties) প্ৰয়োজন। এজন বা এটা দল হব বিক্ৰেতা আৰু আনটো হব ক্ৰেতা। পৃথিৱীৰ কিছুমান অঞ্চলত আকৌ বিনিময় প্ৰথাৰ জৰিয়তে সামগ্ৰীবোৰ বিনিময় কৰাৰ ব্যৱস্থা আছে। দুয়োটা দলৰ বাবে বাণিজ্য লাভজনক বৃত্তি। কিনা-বেচাৰ মাধ্যমেই হল মুদ্ৰা বা ধন। মধ্যযুগত ধন বা মুদ্ৰা সাধাৰণতে সোনৰ আছিল। মুদ্ৰা সঞ্চয় কৰিব পাৰি আৰু যেতিয়াই আৱশ্যক হয় তেতিয়াই মুদ্ৰা দি নিজৰ প্ৰয়োজনীয় পণ্য-সামগ্ৰী পাব পাৰি। গতিকে মুদ্ৰাৰ ব্যৱহাৰ বাঢ়ি অহাৰ লগে লগে পৃথিৱীত বেপাৰ বাণিজ্যও বাঢ়ি আহিল।

পৃথিৱীত আজি কোনো দেশ বা অঞ্চল নাই যত মানুহৰ আৱশ্যকীয় সকলোবোৰ সামগ্ৰীয়েই দেশখনৰ ভিতৰতেই পাব পাৰি।

বাণিজ্য দুটা স্তৰত হব পাৰে ঃ আন্তৰ্জাতিক আৰু ৰাষ্ট্ৰীয় বা আন্তৰ্দেশীয়। অন্তৰ্জাতিক সীমাৰ বাহিৰত দুখন ৰাষ্ট্ৰৰ মাজত পন্য-সামগ্ৰী আৰু সেৱাৰ প্ৰয়োজন অনুসৰি মুদ্ৰাৰ বিনিময়ত কিনা-বেচা কৰা কাৰ্যই হল আন্তৰ্জাতিক বাণিজ্য। ভিন্ ভিন্ দেশৰ ভৌগোলিক পৰিবেশো ভিন্ ভিন্ আৰু উৎপাদিত পণ্য আৰু সামগ্ৰীও বেলেগ বেলেগ। পৃথিৱীত আজি এনে কোনো দেশ নাই যত মানুহৰ প্ৰয়োজনীয় সকলোখিনি সামগ্ৰীয়েই দেশখনৰ ভিতৰত উৎপাদন কৰা হয়। এনে অৱস্থাত দেশখনে অন্য বন্ধুত্বপূৰ্ণ (মিত্ৰ) দেশৰ পৰা বাহি হোৱা সামগ্ৰীখিনি প্ৰয়োজন অনুসৰি আমদানি কৰে আৰু নিজৰ উদ্বৃত্তখিনি (Surplus) বা বাহিহোৱা খিনি মিত্ৰদেশলৈ প্ৰয়োজন অনুসৰি ৰপ্তানি কৰিব পাৰি।

পুৰণি কালত এজনৰ বাহি হোৱা সামগ্ৰীখিনি আন এজনৰ দি তাৰ সলনি নিজৰ প্ৰয়োজনীয় বস্তুখিনি দ্বিতীয় জনৰ পৰা লব পৰা ব্যৱস্থা আছিল। এয়েই হল বিনিময় প্ৰথা (Barter system)। অসমৰ পাহাৰত বাস কৰা মানুহৰ সৰহসংখ্যাকেই আলু, কচু, বাহগাজ, কলডিল, আদা, হালধি আদি ভৈয়ামলৈ আনি সেইবোৰৰ সলনি নিমখ, মাছ, আদি যাৱতীয় সামগ্ৰী বিনিময় প্ৰথাৰে সলনা-সলনি কৰিছিল। তেনে এখন মেলাৰ (বজাৰ) উদাহৰণ হল জোনবিল মেলা (চিত্ৰ ৯.১) গুৱাহাটী, চহৰৰ ৩৫ কি.মি পূবে জাগীৰোডৰ ওচৰত (জাগীৰোড-মৰিগাওঁ পথৰ দাঁতিত) জোনবিল পথাৰত, জানুৱাৰী মাহত মাজভাগত বিনিময় প্ৰথাৰে দ্ৰব্য সাল-সলনি কৰা দেখা যায়। বিভিন্ন জাতি-জনজাতিৰ লোকে এইখন বজাৰত তেওঁলোকৰ দ্ৰব্যবোৰ আৱশ্যক অনুসৰি সলনি কৰে।



*চিত্ৰ ৯.১ঃ জোনবিল মেলাত দ্ৰব্যৰ বিনিময়।*

**বিনিময় প্ৰথাৰ বহুতো অসুবিধা ঃ** এজন মানুহৰ বা এখন দেশৰ এসময়ত যিখিনি ওপৰিঞ্চি পণ্য আন এজন মানুহক বা আন এখন দেশক সেই সময়ত ঠিক সেইখিনি পণ্য নালাগিবও পাৰে। তদুপৰি কিছুমান দ্ৰব্য ভাগ কৰিলে অপ্ৰয়োজনীয় খিনি তৎকালে বিনিময় কৰিব নোৱাৰিলে দ্ৰব্যমান বিনষ্ট হয়। যেনে এজনী ছাগলী আৰু এটা কঁঠাল বিনিময় কৰিলে এজনৰ লাভ আৰু আনজনৰ লোকচান হব। অতীজত বিনিময়ৰ মাধ্যম হিচাবে চকচকীয়া শিলা, বাখৰ, বাঘৰ নখ, সিন্ধুঘোটকৰ দাঁত, কুকুৰৰ দাঁত, ছাল, নোম, নিমখ, তাম, ৰূপ, সোন ইত্যাদি ব্যৱহাৰ কৰা হৈছিল। বিভিন্ন প্ৰকাৰৰ ধাতুৰ মুদ্ৰা আৰু কাগজৰ মুদ্ৰাৰ প্ৰচলনে আন্তৰ্জাতিক বাণিজ্য আৰু লেন-দেনত অভূতপূৰ্ব পৰিবৰ্তন সাধন কৰে।

> **জানানে?**
>
> মজুৰি (Salary) বুজোৱা শব্দটো-লেটিন শব্দ Salarium-ৰ পৰা আহিছে। ইয়াৰ অৰ্থ হল দৰ্মহাৰ বিনিময়ত লোন/লবণ (Salt)। পুৰণি দিনত নিমখ উৎপাদনৰ বিষয়ে মানুহে নাজানিছিল। লবণ-শিলৰ পৰা নিমখ আহৰণ কৰা হৈছিল।


Dailyassam.com

## আন্তৰ্জাতিক বাণিজ্যৰ ইতিহাস ঃ

পুৰনি কালত দুৰনিবতীয়া যাতায়ত আৰু পৰিবহন অতি কষ্টকৰ আছিল আৰু সেয়েহে ব্যবসায়-বাণিজ্য স্থানীয়ভাবে সম্পাদন কৰা হৈছিল। মানুহে তেওঁলোকৰ যাবতীয় সম্পদবোৰ আহাৰ, আশ্রয় আৰু কাপোৰকানি যোগাব কৰাতেই সীমিত কৰিব লগীয়া হৈছিল। কেৱল ধনী শ্ৰেণীৰ লোকেহে গহনা আৰু দামী কাপোৰ পৰিধান কৰিব পাৰিছিল। ইয়াৰ ফলতেই জকমকীয়া সামগ্ৰীৰ বানিজ্যৰ পাতনি মেলা পৰিলক্ষিত হৈছিল।

ৰোম আৰু চীনক সংযোগ কৰা প্ৰায় ৬,০০০ কিল'মিটাৰ চিল্ক ৰৌত (Silk Route) এটা পুৰনি উদাহৰণ। চীনত উৎপাদিত চিল্ক, ৰোমত উৎপাদিত উল আৰু বহুমূলীয়া ধাতৰসামগ্ৰী আৰু এই পথছোৰাৰ আশেপাশে থকা বিভিন্ন স্থান যেনে পাৰস্য আৰু মধ্য এচিয়াৰ দেশবোৰত উৎপাদিত সামগ্ৰীবোৰ বণিক সকলে এই পথেৰে কঢ়িয়াই নিছিল।

খৃষ্টীয় বাৰ আৰু তেৰ শতিকাত ৰোমন সাম্রাজ্য খণ্ড বিখণ্ডিত হয়, ইউৰোপীয় বানিজ্য ঠন ধৰি উঠে আৰু সামুদ্ৰিক যুদ্ধজাহাজ নিৰ্মান ও চলাচল হোৱাত ইউৰোপ আৰু এচিয়াৰ দেশবোৰৰ মাজত বেহা-বেপাৰ. সূচল হয়। ইতিমধ্যে আমেৰিকা আবিষ্কৃৰে এক নতুন অধ্যায়ৰ সূচনা কৰে।




চিত্ৰ ৯.২ ঃ দাস-ব্যৱসায়ৰ বিজ্ঞপ্তিৰ নমুনা।

পোন্ধৰ শতিকাৰ পিচত ইউৰোপীয় উপনিবেশবাদ গঢ়ি উঠে আৰু আফ্ৰিকাৰ দেশবোৰত এক নতুন ধ্ৰবণৰ বাণিজ্য গঢ় লয় যাক দাস-ব্যৱসায় (Slavetrade) বোলা হয়। বৃটিচ, ফ্ৰান্স, স্পেইন, পৰ্তুগীজ আদিয়ে আফ্ৰিকাৰ বাসিন্দা সকলক শক্তি প্ৰয়োগ কৰি ধৰি আনে আৰু তেওঁলোকে আমেৰিকা নতুনকৈ পতা উপনিবেশত স্থাপন কৰা ৰোপন শস্যৰ বাগিচাৰ শ্ৰমিক আৰু খনিবোৰত প্ৰয়োজন হোৱা শ্ৰমিকৰ চাহিদা পুৰন কৰিছিল। দাস-ব্যৱসায় ১৭৯২ চনলৈ প্ৰায় দুশ বছৰ জুৰি এক লাভজনক ব্যৱসায় হিচাবে পৰিগনিত হৈছিল। কিন্তু পৰ্য্যায়ক্ৰমে ১৭৯২ চনত ডেনমাৰ্ক, ১৮০৭ চনত গ্ৰেট বৃটেইন আৰু ১৮০৮ চনত যুক্তৰাষ্ট্ৰত এই দাস-ব্যৱসায় প্ৰথাৰ বিলুপ্তি কৰা হয়।

শিল্প বিপ্লবৰ পিচত কেঁচামাল যেনে শস্য, মাংস, উল আদিৰ চাহিদাও বৃদ্ধি হয় যদিও দ্ৰব্যৰ মূল্যমান উৎপাদিত সামগ্ৰী অনুযায়ী বৃদ্ধি হোৱা দেখা নগল।

শিল্পৰ ক্ষেত্ৰত আগৰনুৱা দেশবোৰৰ অংশ আন্তৰ্জাতিক বাণিজ্যৰ ক্ষেত্ৰত সৰহ। এইবোৰ দেশৰ আমদানি আৰু ৰপ্তানি দুয়োটাই অধিক। অন্যহাতে আকৌ ভাৰতৰ দৰে উন্নয়নশীল দেশবোৰৰ ৰপ্তানিতকৈ আমদানিহে অধিক।

উনৈশ শতিকাৰ দ্বিতীয়াৰ্দ্ধত যিবোৰ দেশে প্ৰাথমিক দ্ৰব্যবোৰ উৎপাদন কৰে সেই দেশবোৰৰ প্ৰাধান্য ক্ৰমে হ্ৰাস হবলৈ ধৰে আৰু শিল্পন্নোত দেশবোৰৰ মাজত পাৰস্পৰিক সম্বন্ধ গঢ় লৈ উঠে।

প্ৰথম আৰু দ্বিতীয় বিশ্বযুদ্ধৰ কালচোৱাত দেশবোৰে বাণিজ্য শুল্ক (trade tax) প্ৰচলন কৰে। পৰবৰ্ত্তী সময়ত GATT (General Agreement for Tariffs and Trade) যি পিচলৈ WTO (World Trade Organisation বিশ্ব বাণিজ্য সন্থা) হিচাবে স্বীকৃত হয়, সেই সন্থাৰ প্ৰচেষ্টাত শুল্কৰ পৰিমান হ্ৰাস হয়।

## বিশ্ব/আন্তৰ্জাতিক বাণিজ্যৰ প্ৰচলন কিয়?

আন্তৰ্জাতিক বাণিজ্যৰ হল উৎপাদনৰ বিশিষ্টীকৰণৰ ফল। প্ৰতিখন দেশেই বিভিন্ন ক্ষেত্ৰত বিশিষ্টীকৃত (Specialised) হলে আৰু বিভিন্ন সামগ্ৰী উৎপাদনৰ ক্ষেত্ৰত শ্ৰমৰ বিভাজন হলে (division of labour) বিশ্ব অৰ্থনীতি লাভবান হব। প্ৰতিটো উৎপাদন আৰু সেৱাৰ বিশিষ্টীকৰণ (Specialisation) হলে বাণিজ্যৰ সৃষ্টি হয়। সেইদৰে আন্তৰ্জাতিক বানিজ্যৰ ক্ষেত্ৰত দ্ৰব্যৰ আদান-প্ৰদান, পাৰস্পৰিক বুজাবুজি আৰু সহযোগিতা নিতান্তই প্ৰয়োজন।

সাম্প্ৰতিক কালত বিশ্ব অৰ্থনৈতিক সন্থাবোৰৰ ভিত্তিয়েই হল বাণিজ্য আৰু এই বানিজ্য ৰাষ্ট্ৰৰ বৈদেশিক নীতিৰ আধাৰৰ গঢ়ি উঠে। উন্নত পৰিবহন আৰু যোগাযোগ ব্যৱস্থাই আন্তৰ্জাতিক বাণিজ্যক নতুন দিশৰ সন্ধান দিয়ে আৰু উন্নয়নত ক্ষেত্ৰত যথেষ্ট বৰঙনি আগবঢ়ায়।

Dailyassam.com

**আন্তৰ্জাতিক বাণিজ্যৰ ভেঁটি ঃ**

(i) **ৰাষ্ট্ৰীয় সম্পদৰ ব্যৱধান ঃ** পৃথিবীৰ বিভিন্ন দেশৰ সম্পদবোৰ অসমভাৱে বিতৰণ হৈ আছে। কাৰণ বিভিন্ন দেশৰ প্ৰাকৃতিক গঠন ভূ-তত্ত্ব বন্ধুৰতা, মৃত্তিকা আৰু জলবায়ু ভিন ভিন।

(ক) **ভূ-তাত্বিক গঠন ঃ** ভূ-তাত্বিক গঠনে বিভিন্ন খনিজ সম্পদৰ সন্ধান দিয়ে। যেনে আগ্নেয় শিলাত লো, তাম, আদিৰ পৰিমান অধিক থাকে। গেদীয় শিলাৰ নিৰ্দিষ্ট সংৰচনাত খাৰুৱা তেল সঞ্চিত হৈ থাকে। ভূ-প্ৰাকৃতিক বিভিন্নতাই শস্য আৰু জীৱ-জন্তুৰ বৈচিত্ৰ থকাটো সুচায়। নিম্নভূমিত কৃষি উৎপাদনৰ সম্ভাবনীয়তা অধিক। পৰ্বতৰ মনোমোহা শোভা আৰু শীতল স্বাস্থ্যকৰ জলবায়ুৱে পৰ্যটকৰ আকৰ্ষিত কৰে আৰু পৰ্যটন উন্নয়নত সহায় কৰে।

(খ) **খনিজ সম্পদ ঃ** পৃথিবীৰ সকলো ঠাইতেই খনিজ সম্পদৰ বিতৰণ সমান নহয়। পৰ্যাপ্ত পৰিমানৰ খনিজ সম্পদ মজুত থাকিলে ঔদ্যোগিক বিকাশ হোৱাৰ প্ৰচুৰ সম্ভাবনা থাকে।

(গ) **জলবায়ু ঃ** কোনো এখন ঠাই বা অঞ্চলৰ প্ৰাকৃতিক উদ্ভিদ আৰু জীৱজন্তুৰ প্ৰাচুৰ্যতা নিৰ্ভৰ কৰে জলবায়ুৰ ওপৰত। অৰ্থাৎ জলবায়ুৱে প্ৰাকৃতিক উদ্ভিদ আৰু জীৱজন্তুৰ ওপৰত যথেষ্ট প্ৰভাৱ বিস্তাৰ কৰে। বিভিন্ন কৃষিজাত সামগ্ৰীৰ উৎপাদন জলবায়ুৰ ওপৰত বহুপৰিমানে নিৰ্ভৰ কৰে যেনে শীতল অঞ্চলত উলৰ উৎপাদন হয়, আম, ৰবৰ আৰু চাহ ক্ৰান্তীয় উঞ্চলত উৎপাদন কৰাৰ বাবে উপযোগী।

(ii) **জনসংখ্যাজনিত কাৰক ঃ** বিভিন্ন দেশৰ জনসংখ্যাৰ আকাৰ, বিতৰণ আৰু বৈচিত্ৰ্যই কোনখন দেশত কোন কোন প্ৰকাৰ সামগ্ৰী কিমান পৰিমানত ব্যৱসায়-বানিজ্যৰ বাবে আমদানি নাইবা ৰপ্তানি কৰিব পৰা যাব সেইটো নিৰ্দ্ধাৰণ কৰিব পাৰে। জনসংখ্যা অধিক হলে সেই অনুপাতে সম্পদৰ পৰিমান কম থাকিলে সেই দেশবোৰত বস্তুৰ নাটনি হয়।

(ক) **সাংস্কৃতিক কাৰক ঃ** কিছুমান দেশত নিৰ্দিষ্ট ধৰণৰ কলা খোদিত হস্তশিল্প গঢ়ি উঠিছে। যেনে ভাৰতত মৰাপাটেৰে তৈয়াৰী সামগ্ৰী, বাহ-বেতৰ শিল্প আদি; ইৰাণৰ কাৰ্পেট, চীনৰ চীনামাটিৰ বাচন-বৰ্তন, উত্তৰ আফ্ৰিকাৰ চামৰাৰে তৈয়াৰী বিভিন্ন সামগ্ৰী পৃথিবীৰ প্ৰায় সকলো দেশতেই সমাদৰ আছে।

(খ) **জনসংখ্যাৰ আকাৰ ঃ** যিবোৰ দেশত জনসংখ্যাৰ আকাৰ ডাঙৰ তেনেবোৰ দেশৰ আভ্যন্তৰীন বাণিজ্যৰ পৰিমান অধিক কিন্তু ৰপ্তানিৰ পৰিমান কম হোৱা দেখা যায়। কিয়নো উৎপাদিত কৃষিজাত আৰু শিল্পজাত সামগ্ৰীবোৰ স্থানীয় ভাবে ব্যৱহাৰ কৰা হয়। মানুহৰ জীৱন ধাৰণৰ মান জোখাৰ অন্যতম চিন হল সেইখন দেশলৈ উচ্চমানৰ সামগ্ৰী কিমান ৰপ্তানি কৰা হয়। মানুহৰ উচ্চমানৰ সামগ্ৰীৰ চাহিদা কিমান, নাইবা তেনেবোৰ সামগ্ৰী কিনাৰ বাবে মানুহে খৰচ কৰিব পাৰে নে ইত্যাদি।

(গ) **আৰ্থিক উন্নয়নৰ স্তৰ ঃ** যিবোৰ দেশৰ অৰ্থনৈতিক অৱস্থা স্বচ্ছল সেইবোৰ দেশৰ মানুহৰ জীৱন ধাৰণৰ মানো উন্নত। গতিকে তেওঁলোকক অন্ন-বস্ত্ৰ-গৃহৰ উপৰিও বহুতো দ্ৰব্যৰ আৱশ্যক। কৃষিভিত্তিক দেশবোৰ শিল্পজাত সামগ্ৰী আৰু উদ্যোগৰ ক্ষেত্ৰত অগ্ৰনী দেশবোৰে সামগ্ৰী আমদানি-ৰপ্তানী কৰে ইয়াৰ ফলত আন্তৰ্জাতিক বাণিজ্য বৃদ্ধি পায়।

(ঘ) **বৈদেশিক মুদ্ৰাৰ বিনিয়োগ ঃ** উন্নয়নশীল দেশবোৰত বৈদেশিক মুদ্ৰাৰ বিনিয়োগ খনিজ উন্নয়ন, খাৰুৱা, তেল আহৰণ, গধুৰ যন্ত্ৰপাতি, কাঠফলা, ৰোপন কৃষি আদিৰ বাবে আৱশ্যক হোৱা মূলধনৰ পৰ্যাপ্ত যোগান ধৰি উন্নয়নৰ দিশত আগবঢ়াই নিয়াত সহায় কৰিব পাৰে। ইয়াৰ বিনিময়ত উন্নত দেশবোৰে কৃষিজাত সামগ্ৰী, খাৰুৱা তেল, বিভিন্ন প্ৰকাৰৰ খনিজ দ্ৰব্য আদি আমদানি কৰি শিল্পজাত সামগ্ৰীৰে বাণিজ্যৰ প্ৰসাৰ ঘটাব পাৰে।

(ঙ) **পৰিবহন ঃ** পুৰণিকালত পৰিবহন ব্যৱস্থা উন্নত নাছিল আৰু সেয়েহে ব্যৱসায় বানিজ্য স্থানীয়ভাবে কৰা হৈছিল। কেৱল বিভিন্ন প্ৰকাৰৰ ৰত্ন বা মনি (gems), পাট (Silk), বিভিন্ন মচলা জাতীয় দ্ৰব্য দূৰ-দূৰণিলৈ কঢ়িয়াই লৈ যোৱা হৈছিল আৰু ৰজা-মহাৰজা আদি ধনী সম্প্ৰদায়ৰ সৈতে বাণিজ্য কৰা হৈছিল। ৰেলসেৱাৰ সম্প্ৰসাৰণ, সামুদ্ৰিক পথৰ আবিষ্কাৰ আৰু উৰাজাহাজৰ সুবিধাৰ লগে লগেই ব্যৱসায় বাণিজ্যৰ সম্প্ৰসাৰণ হয়। শীততাপ নিয়ন্ত্ৰণ ব্যৱস্থাৰ আবিষ্কাৰ আৰু পৰিবহন ব্যৱস্থাত সেইবোৰ সংযোগ কৰি বহুদিনলৈ সেইবোৰ সংৰক্ষণ কৰি প্ৰয়োজন অনুসৰি বিভিন্ন স্থানত চাহিদা অনুযায়ী বিতৰণ কৰি ব্যৱসায়ৰ সম্প্ৰসাৰণ কৰিব পাৰি।

Dailyassam.com



(চ) **প্ৰাকৃতিক পৰিবেশগত কাৰক ঃ** পৃথিবীৰ বিভিন্ন জলবায়ু অঞ্চলত বিভিন্ন প্ৰকাৰৰ শস্য উৎপাদন হয়। নৈৰক্ষিক জলবায়ুত ৰবৰ, ক্ৰান্তীয় অঞ্চলত ধান, চাহ, নাতিশীতোষ্ণ অঞ্চলত ঘেঁহু আদি উৎপাদন হয়। আনহাতে আকৌ আগ্নেয় শিলাৰে গঠিত অঞ্চলত আকৰিক লো, তাম, আদি ধাতৱ পদাৰ্থ, গেছীয়, শিলাৰে গঠিত অঞ্চলত কয়লা আৰু খাৰুৱা তেলৰ উপৰিও মাৰ্ল (marl) (এবিধ গেদীয় শিলা) আৰু মাৰ্বল (marble, মাৰ্লৰ পৰা ৰূপান্তৰ ঘটি হোৱা শিলা) পোৱাৰ সম্ভাৱনা থাকে। প্ৰাকৃতিক পৰিবেশৰ এনে বৈষম্যৰ বাবেই আন্তৰ্জাতিক বাণিজ্যৰ আৱশ্যক হয়।

জাতীয় চৰিত্ৰগত আৰু সামাজিক কাৰকৰ বাবেও বানিজ্যৰ আৱশ্যক হয়। যেনে বৃটিচ সকলে চাহ ভাল পায়। গতিকে এই দেশ আৰু চাহ উৎপাদনকাৰী দেশৰ মাজত চাহৰ আন্তৰ্জাতিক বাণিজ্য গঢ়ি উঠিছে। ভাৰতবৰ্ষ হিন্দু প্ৰধান দেশ। হিন্দুসকলৰ বাবে গো-বধ আৰু গো-মাংস নিষিদ্ধ। গতিকে ভাৰতত পৃথিবীৰ সৰ্বাধিক গৰু থকা স্বত্বেও গো-মাংসৰ শিল্প গঢ়ি উঠা নাই। সেইদৰে মধ্য এচিয়া আৰু উত্তৰ আফ্ৰিকাত প্ৰচুৰ পৰিমাণে আঙুৰ উৎপাদন হোৱা স্বত্বেও ইয়াত সুৰাশিল্প (viticulture) গঢ়ি উঠা নাই কিয়নো এইবোৰ দেশ ইচলাম ধৰ্মপ্ৰধান লোকৰ বসতিস্থল। ইছলাম ধৰ্মালম্বী সকলৰ বাবে সুৰাপান নিষিদ্ধ। এইদৰে জাতীয় চৰিত্ৰ আৰু সামাজিক কাৰকেও আন্তৰ্জাতিক বাণিজ্যত প্ৰভাৱ পেলায়।

**আন্তৰ্জাতিক বাণিজ্যৰ প্ৰয়োজনীয় বিষয় ঃ** আন্তৰ্জাতিক বাণিজ্যৰ তিনিটা প্ৰয়োজনীয় বিষয় হল পৰিমান, খণ্ড গঠন (sector composition), আৰু বাণিজ্যৰ দিশ।

**বানিজ্যৰ পৰিমান ঃ** সামগ্ৰীৰ ক্ষেত্ৰত কিমান পৰিমানৰ দ্ৰব্যৰ বাণিজ্য সম্পাদন কৰা হয় সেইটো অতি গুৰুত্বপূৰ্ণ বিষয়। অৱশ্যে বিভিন্ন প্ৰকাৰৰ সেৱাৰ ক্ষেত্ৰত এনেবোৰ বিষয় জুখিব নোৱাৰি। সেয়েহে সামগ্ৰী আৰু সেৱাৰ মূল্যমান সামৰি বাণিজ্যৰ পৰিমান নিৰ্দ্ধাৰণ কৰিব পাৰি। **তালিকা ৯.১-ত** বিশ্ব বানিজ্যৰ ক্ৰমবৰ্দ্ধমান পৰিমান দেখুৱা হৈছে।


**তালিকা নং ৯.১ ঃ পৃথিবীৰ আমদানি আৰু ৰপ্তানি (মাৰ্কিন ডলাৰত) নিযুত মূল্য**

| | ১৯৫৫ | ১৯৬৫ | ১৯৭৫ | ১৯৮৫ | ১৯৯৫ | ১৯৯৫ |
|---|---|---|---|---|---|---|
| **ৰপ্তানি মুঠ বাণিজ্য দ্ৰব্য** | ৯৫০০০ | ১৯০০০০ | ৮৭৭০০০ | ১৯৫৪০০০ | ৫১৬২০০০ | ১০৩৯৩০০০ |
| **আমদানি মুঠ বাণিজ্য দ্ৰব্য** | ৯৯০০০ | ১৯৯০০০ | ৯১২০০০ | ২০১৫০০০ | ৫২৯২০০০ | ১০৭৫৩০০০ |

**উৎস ঃ** *বিশ্ব বাণিজ্য সন্থাৰ (WTO) পৰিসংখ্যা, ২০০৫ চন*

**ক্ৰিয়া-কলাপ**

যোৱা কেইবা দশকৰ ভিতৰত বিশ্ব বাণিজ্যৰ সম্প্ৰসাৰণ হোৱা বুলি তুমি ভাবানে? এই তথ্যবোৰ তুলনাকৰি চাব পাৰিনে? ১৯৫৫ চনৰ পৰা ২০০৫ চনলৈ বিশ্ব বাণিজ্যৰ শ্ৰীবৃদ্ধি কিমান?




*চিত্ৰ ৯.৩ ঃ সামগ্ৰী আৰু সেৱাৰ ৰপ্তানি ১৯৮০-২০০০।*


**উৎস ঃ** *বিশ্ব বাণিজ্য সন্থাৰ পৰিসংখ্যা, ২০০২*

**বাণিজ্যৰ গঠন ঃ** বিগত দশকটোৰ ভিতৰত বিভিন্ন প্ৰকাৰৰ দ্ৰব্যৰ আমদানি আৰু ৰপ্তানিলে মনকৰিলে দেখা যায় যে দ্ৰব্য আৰু সেৱাৰ প্ৰকৃতি যথেষ্ট সলনি হৈছে।

যোৱা দশকটোৰ আৰম্ভনিতে প্ৰাথমিক দ্ৰব্যৰ বাণিজ্যই আধিপত্য বিস্তাৰ কৰিছিল যদিও দ্বিতীয়াৰ্দ্ধত শিল্পজাত সামগ্ৰীয়ে প্ৰাধান্য লাভ কৰে। বৰ্তমান ঔদ্যোগিক উৎপাদিত দ্ৰব্যই বিশ্ব বাণিজ্য দখল কৰিছে যদিও সেৱা খণ্ডৰ অৰিহনাও বিশেষ মনকৰিবলগীয়া

Dailyassam.com

বিভিন্ন সামগ্ৰীৰ বিশ্ব বাণিজ্যৰ অৰিহনা অংশ তলৰ ৰেখা-চিত্ৰত দিয়া হল :—




*চিত্ৰ ৯.ঙ : বিশ্বৰ ৰপ্তানিকৃত বাণিজ্য দ্ৰব্য ২০০৪।*

**উৎস :** বিশ্ব বানিজ্য সন্থা, বাণিজ্য পৰিসংখ্যা, ২০০৫

লেখ চিত্ৰটোলৈ মন কৰিলে দেখা যায় যে যন্ত্ৰপাতি আৰু পৰিবহনৰ সজুলি, ইন্ধন আৰু খনিজ দ্ৰব্য ৰাসায়নিক দ্ৰব্য, গাড়ী মটৰৰ পাৰ্ট, কৃষিজ দ্ৰব্য, লো-তীখা, কাপোৰ আৰু বস্ত্ৰজাত সামগ্ৰীৰ বাণিজ্যই সমগ্ৰ বিশ্বৰজাৰত প্ৰাধান্য লাভ কৰিছে। আনহাতে সেৱা ক্ষেত্ৰৰ (Trade Sector) বাণিজ্যৰ ক্ষেত্ৰত যথেষ্ট অগ্ৰগতি লাভ কৰা হৈছে। উৎপাদিত দ্ৰব্যৰ বাণিজ্যকৰণৰ বাবে বিভিন্ন ধৰণৰ তথ্যৰ প্ৰচাৰ, [illegible] আদিৰ মাধ্যমেৰে উৎপাদিত সামগ্ৰীৰ প্ৰতি আকৰ্ষিত [illegible] যথেষ্ট লাভবান হৈছে। সেৱাৰ যোগান চাহিদা [illegible] পাৰি। তলত ৯.২ তালিকাত সেৱাৰ বিশ্ববাণিজ্যৰ ক্ষেত্ৰত অৰিহনা দেখুৱা হৈছে।

**তালিকা নং ৯.২ : আন্তৰ্জাতিক বাণিজ্যত সেৱাৰ অৰিহনা**

| নিৰ্দিষ্ট সেৱা | অংশ (শতকৰা হিচাবত) |
|---|---|
| *যাত্ৰা* (Travel) | *১০—১৫%* |
| *নিৰ্মান সেৱা* | *৫০%* |
| *মজদুৰ গতি* (Flow) | *১—২%* |
| *অন্যান্য বাণিজ্যিক সেৱা* | *৩৫%* |

**বাণিজ্যৰ গতি :** ইতিহাসৰ পাত লুটিয়ালে দেখা যায় যে অতি পুৰনি কালৰ পৰাই বৰ্ত্তমানৰ উন্নয়নশীল দেশবোৰে তাহানিৰ ইউৰোপৰ দেশবোৰলৈ বিভিন্ন প্ৰকাৰৰ সামগ্ৰী ৰপ্তানি কৰিছিল। উনৈশ শতিকাত ইয়াৰ ওলোটা হয়। অৰ্থাৎ ইউৰোপীয় দেশবোৰে তেওঁলোকৰ শিল্পজাত দ্ৰব্যবোৰ অন্য দেশৰ খাদ্যদ্ৰব্য আৰু কেঁচামালৰ সতে সলনি কৰিবলৈ আৰম্ভ কৰে। ইউৰোপীয় আৰু আমেৰিকা যুক্তৰাষ্ট্ৰৰ সন্মিলিত উদ্যোগত বাণিজ্যৰ যথেষ্ট প্ৰসাৰ ঘটে। সেই সময়ত জাপানেও অগ্ৰনী ভূমিকা লৈছিল আৰু বিশ্ববাণিজ্য দৰবাৰত তৃতীয়স্থান দখল কৰিবলৈ সমৰ্থ হৈছিল। কুৰি শতিকাৰ দ্বিতীয়াৰ্দ্ধত বিশ্ব বাণিজ্য ক্ষেত্ৰলৈ যথেষ্ট পৰিবৰ্ত্তন অহা পৰিলক্ষিত হয়। ইউৰোপীয় সকলৰ ঔপনিবেশিক শাসনৰ অন্ত পৰে আৰু ভাৰত, চীন আৰু অন্যান্য দেশবোৰে উন্নত দেশবোৰৰ সৈতে বাণিজ্যৰ ক্ষেত্ৰত প্ৰতিযোগিতাত নামে। বাণিজ্যকৃত সামগ্ৰীৰ প্ৰকৃতিও সলনি হয়।

**বাণিজ্যিক সন্তুলন :** কোনো এখন দেশে অন্য দেশলৈ আৰু অন্যান্য দেশবোৰে বিভিন্ন দেশলৈ আমদানি আৰু ৰপ্তানি কৰা দ্ৰব্য আৰু সেৱাৰ পৰিমান লিপিবদ্ধ কৰে। যদি আমদানিকৃত দ্ৰব্যৰ মূল্য ৰপ্তানিৰ দ্ৰব্য মূল্যতকৈ কম হয় তেনে অৱস্থাক দেশখনৰ বাবে নেতিবাচক বাণিজ্যিক সন্তুলন হিচাবে গন্য কৰা হয়। যদি ৰপ্তানিকৃত সামগ্ৰী আৰু সেৱাৰ মূল্য আমদানিমূল্যতকৈ অধিক হয় তেন্তে সেই দেশৰ বাণিজ্যিক সন্তুলন ধনাত্মক বা অনুকূল হয়।

বাণিজ্যিক সন্তুলন আৰু দেওন বা পৰিশোধ সন্তুলন (balance of payment) এই দুয়োটাই এখন দেশৰ অৰ্থনীতিত বিশেষ প্ৰভাৱ বিস্তাৰ কৰে। ঋণাত্মক সন্তুলনে দেখখনে আনৰ ওচৰত নিৰ্ভৰ কৰা সূচায় আৰু ধনাত্মক সন্তুলনে দেশখন আত্মনিৰ্ভৰশীল হোৱাৰ উপৰিও অন্যদেশলৈ সামগ্ৰী পঠিয়াই লাভবান হোৱাটো সূচায়।

Dailyassam.com


**আন্তৰ্জাতিক বাণিজ্যৰ প্ৰকাৰ ঃ** আন্তৰ্জাতিক বাণিজ্য দুই প্ৰকাৰৰ ঃ

(ক) **দ্বি-জাতিক বা দ্বি-দেশীয় বাণিজ্য ঃ** যেতিয়া দুখন দেশৰ মাজত বাণিজ্য সম্পাদিত হয় দুয়োখন দেশেই বাণিজ্যিক চুক্তি সম্পাদন কৰে আৰু আমদানি/ৰপ্তানি কৰিব লগীয়া সামগ্ৰী/সেৱাৰ তালিকা প্ৰস্তুত কৰি সেইমতে যাবতীয় ব্যৱস্থা কৰে। যেনে A দেশখনে B দেশলৈ খাদ্য সামগ্ৰী পঠালে B দেশখনে শিল্পজাত সামগ্ৰী A দেশলৈ পঠিয়াব।

(খ) **বহুদেশীয় বাণিজ্য ঃ** এই বাণিজ্য বহুতো দেশৰ মাজত সম্পাদনা হয়। এখন দেশে বহুতো দেশৰ লগত বাণিজ্য সম্পাদন কৰিব পাৰে। এই ক্ষেত্ৰত দেশখনে এখন বা একাধিক দেশক 'আটাইতকৈ আত্মীয় দেশ' (Most Favoured Nation/MFN) হিচাপে গন্য কৰি বাণিজ্য সহযোগী হব পাৰে।

গোলকীয় বাণিজ্য মুক্তকৰনৰ পিচত দুই বা ততোধিক দেশে তেওঁলোকৰ উৎপাদিত সামগ্ৰী আৰু সেৱা বিভিন্ন প্ৰতিযোগিতামূলক বজাৰৰ মাধ্যমেৰে ক্ৰয়-বিক্ৰয় কৰিব পাৰে। ঠিক তেনেদৰে সেৱাৰ ক্ষেত্ৰতো একেধৰণৰ ব্যৱস্থা গ্ৰহণ কৰা হয়। যেনে বিভিন্ন ম'বাইল প্ৰতিষ্ঠানবোৰে বিভিন্ন আধুনিক সুবিধা প্ৰদান কৰি প্ৰতিযোগিতামূলক বজাৰত উন্নত সেৱামান সংযোগ কৰি গ্ৰাহকক সেৱা প্ৰদান কৰি আছে। ইফালে গ্ৰাহকেও বহুজাতিক প্ৰতিষ্ঠানবোৰৰ সেৱা গ্ৰহণ কৰাৰ ক্ষেত্ৰত, নিৰ্বাচনৰ ক্ষেত্ৰত স্বতন্ত্ৰীয় ভূমিকা গ্ৰহণ কৰিব পাৰিছে। এই ক্ষেত্ৰত উন্নত দেশবোৰৰ নিচিনাকৈ উন্নয়নশীল দেশবোৰেও সেৱা আগবঢ়াই প্ৰতিযোগিতা মূলক বজাৰখনত নিজস্ব আসন দখল কৰিবলৈ সক্ষম হৈছে।

সস্তীয়া আৰু নিম্নগুণগত মানৰ সামগ্ৰীৰে কোনো এখন দেশৰ বজাৰ দখল কৰি থলুৱা শিল্পক মাধমাৰ দিয়া বহুক্ষেত্ৰেত পৰিলক্ষিত হৈছে। বংবিৰঙৰ অত্যাধুনিক ডিজাইনৰ এনেবোৰ সামগ্ৰী উৎপাদিত দেশত বিক্ৰি নকৰি আন এখন দেশলৈ ৰপ্তানি কৰে। বহুক্ষেত্ৰত স্বাস্থ্য আৰু পৰিবেশৰ প্ৰতিকূল এনেবোৰ সামগ্ৰী জনস্বাস্থ্যৰ পৰিপন্থী। এনেবোৰ সামগ্ৰী দেখাত একে হলেও উৎপাদন খৰচৰ তুলনাত দাম কম হয় আৰু গুণগত পাৰ্থক্য থাকে। এনে দ্ৰব্যক Dumped goods বুলি কোৱা হয়।

**বিশ্ব বাণিজ্য সংস্থা** (WTO) ১৯৪৮ চনত বিশ্ববাসীক উচ্চ হাৰত দ্ৰব্যমূল্য ক্ৰয়ৰ পৰা ৰক্ষা কৰিবলৈ আবকাৰী শুল্ক (customs tariffs) আৰু অন্যান্য বাধা আতৰাবলৈ কিছুমান ৰাষ্ট্ৰই গেট (GATT) চুক্তি (General Agreement on Tariffs and Trade) চুক্তি স্বাক্ষৰ কৰে। ১৯৯৪ চনত সদ্যৰাষ্ট্ৰবোৰে ইয়াক অধিক ফলপ্ৰসূ কৰিবলৈ ১৯৯৫ চনৰ ১ জানুৱাৰীৰ পৰা কাৰ্যকৰী হোৱাকৈ বিশ্ববানিজ্য সন্থা (World Trade Organisation/WTO) হিচাবে উন্নীত কৰে। বিশ্ব বাণিজ্য সন্থাই বিশ্ব বাণিজ্য নীতি প্ৰস্তুত আৰু গ্ৰহণ কৰি সদস্য ৰাষ্ট্ৰৰ মাজত থকা মতবিৰোধ দূৰ কৰাৰ বাবে প্ৰচেষ্টা হাতত লয়।

অৰ্থনীতি গোলকীকৰণৰ বাবে বিশ্ববাণিজ্য সন্থা সমালোচনাৰ সন্মুখীন হৈছে। সমালোচক সকলৰ মতে মুক্ত বাণিজ্য ব্যৱস্থাই সৰ্বসাধাৰণ মানুহৰ জীৱন ধাৰণৰ মান উন্নত কৰিব নোৱাৰে। প্ৰভাৱশালী দেশবোৰ নিজৰ ব্যৱসায়িক স্বাৰ্থ পুৰণৰ হকে কাম কৰাৰ কথা উল্লেখ কৰিছে। তদুপৰি বহুতো উন্নত ৰাষ্ট্ৰই উন্নয়নশীল ৰাষ্ট্ৰত উৎপাদিত সামগ্ৰীৰ প্ৰবেশৰ অনুমতি প্ৰদান কৰা নাই। এইক্ষেত্ৰত স্বাস্থ্য সম্পৰ্কীয় বিষয়, কৰ্মীৰ অধিকাৰ, শিশু শ্ৰমিক আৰু পৰিবেশ আদিৰ বিষয় সামৰি লোৱা হোৱা নাই।

**জানানে ?**

WTO-ৰ মুখ্য কাৰ্যালয় চুইজাৰলেণ্ডৰ জেনেভাত অৱস্থিত। ২০০৫ চনত ১৪৯ খন দেশ বিশ্ব বাণিজ্য সন্থাৰ সদস্য আছিল।

ভাৰতবৰ্ষ বিশ্ব বাণিজ্য সন্থাৰ প্ৰতিষ্ঠাপক সদস্য ৰাষ্ট্ৰ।

**আঞ্চলিক বাণিজ্য খণ্ড ঃ** কিছুমান ভৌগোলিক অঞ্চলত ৰাষ্ট্ৰসমূহৰ মাজত আঞ্চলিক বাণিজ্য খণ্ড গঢ়ি উঠা দেখা গৈছে। বিশ্ব বাণিজ্য সন্থাই আন্ত আঞ্চলিক বাণিজ্যৰ ক্ষেত্ৰত ব্যৰ্থতা দেখুৱাৰ বাবে এনেবোৰ আঞ্চলিক সন্থা গঢ়ি উঠিছে। উন্নয়নশীল ৰাষ্ট্ৰবোৰৰ ওপৰত উন্নত ৰাষ্ট্ৰবোৰে অঘোষিত ৰূপত জাৰি কৰা বাধা-নিষেধ আতৰোৱাৰ বাবে আঞ্চলিক বাণিজ্যখণ্ড গঢ়ি উঠিছে। এনে সন্থাবোৰে সদস্য ৰাষ্ট্ৰৰ মাজত থকা-বানিজ্যৰ ক্ষেত্ৰত বহু পৰিমানে সফল হৈছে যদিও বিভিন্ন বাণিজ্য খণ্ডৰ মাজত ভবিষ্যতে হব পৰা বাণিজ্যৰ ক্ষেত্ৰত বিশেষকৈ কৰ-কাটল আদিৰ ক্ষেত্ৰত বলিষ্ঠ নীতি হাতত লোৱা নাই। কিছুমান প্ৰধান আঞ্চলিক বাণিজ্য খণ্ডৰ তালিকা (৯.৩) উল্লেখ কৰা হল ঃ—

Dailyassam.com

■ প্ৰধান তালিকা ৯.৩ আঞ্চলিক বাণিজ্য খণ্ডবোৰ

| Regional Blocs | Head Quarter | Member nations | Origin | Commodities | Other Areas of Cooperation |
|---|---|---|---|---|---|
| ASEAN (Association of South East Asian Nations) | Jakarta, Indonesia | Brunei, Indonesia, Malaysia, Singapore, Thailand, Vietnam | Aug. 1967 | Agro products, rubber, palm oil, rice, copra, coffee, minerals – copper, coal, nickel and tungsten. Energy – petroleum and natural gas and Software products | Accelerate economic growth, cultural development, peace and regional stability |
| CIS (Commonwealth of Independent States) | Minsk, Belarus | Armenia, Azerbaijan, Belarus, Georgia, Kazakhstan, Kyrgyzstan, Moldova, Russia, Tajikistan, Turkmenistan, Ukraine and Uzbekistan. | | Crude oil, natural gas, gold, cotton, fibre, aluminium | Integration and cooperation on matters of economics, defence and foreign policy |
| EU (European Union) | Brussels, Belgium | Austria, Belgium, Denmark, France, Finland, Ireland, Italy, the Netherlands, Luxemburg, Portugal, Spain, Sweden and U.K. | EEC- March 1957 EU - Feb. 1992 | Agro products, minerals, chemicals, wood, paper, transport vehicles, optical instruments, clocks : works of art, antiques | Single market with single currency |
| LAIA (Latin American Integration Association) | Montevideo, Uruguay | Argentina, Bolivia Brazil, Columbia, Ecuador, Mexico, Paraguay, Peru, Uruguay and Venezuela | 1960 | — | |
| NAFTA (North American Free Trade Association) | | U.S.A., Canada and Mexico | 1994 | Agro products, motor vehicles, automotive parts, computers, textiles | |
| OPEC (Organisation of Petroleum Exporting Countries) | Vienna, Austria | Algeria, Indonesia, Iran, Iraq, Kuwait, Libya, Nigeria, Qatar, Saudi Arabia, U.A.E. and Venezuela | 1949 | Crude petroleum | Coordinate and unify petroleum policies. |
| SAFTA (South Asian Free Trade Agreement) | | Bangladesh, Maldives, Bhutan Nepal, India, Pakistan and Sri Lanka | Jan-2006 | | Reduce tariffs on inter-regional trade |

Dailyassam.com

**আন্তৰ্জাতিক বাণিজ্যৰ মুখ্য প্ৰবেশ দ্বাৰবোৰ ঃ**

**বন্দৰ ঃ** আন্তৰ্জাতিক বাণিজ্যৰ মুখ্য প্ৰবেশদ্বাৰ হল বন্দৰ আৰু পোতাশ্ৰয় (harbours)। মাল আৰু যাত্ৰী এই দুয়োটাই বন্দৰ আৰু পোতাশ্ৰয়ৰ মাজেৰে এখন দেশৰ পৰা আনখন দেশলৈ আহাযোৱা কৰে। বন্দৰ বোৰত আমদানি আৰু ৰপ্তানিকৃত দ্ৰব্যবোৰ উঠানমাৰ ব্যৱস্থা কৰাৰ উপৰিও প্ৰয়োজন অনুসৰি সাধাৰণ আৰু শীততাপ নিয়ন্ত্ৰিত ভড়াল গৃহৰ ব্যৱস্থা কৰা হয়। কোনো এটা বন্দৰত দৈনিক অনা-নিয়া সামগ্ৰীৰ পৰিমান, অহা-যোৱা কৰা জাহাজৰ সংখ্যা আৰু আকাৰ আদিয়ে বন্দৰটোৰ ব্যস্ততা আৰু গুৰুত্বৰ বিষয়ে আভাষ দিয়ে। মাল-বস্তুৰ পৰিমানে বন্দৰটোৰ পোতাশ্ৰয় কি কি বিষয়ত কিমান সমৃদ্ধিশালী সেই বিষয়ে বুজায়।

কিছুমান বন্দৰ শিল্পদ্ৰব্যৰ কেঁচামাল সংগ্ৰহ আৰু উৎপাদিত দ্ৰব্যৰ সংগ্ৰহ আৰু বিতৰণৰ বাবে সৃষ্টি হয়। আন কিছুমান পেকেট কৰা দ্ৰব্য আমদানি আৰু ৰপ্তানিৰ ভিত্তিত গঢ়ি উঠে। কিছুমান আকৌ পোতাশ্ৰয় হিচাবে আৰু যাত্ৰী অনা-নিয়াৰ বাবে গঢ়ি উঠে। উক্ত সকলোবোৰ বা একাধিক প্ৰকৰণৰ উপৰত ভিত্তি কৰি দুৰণিবতীয়া ঘাই জল পথবোৰৰ সংগম স্থলত গঢ়ি উঠা দেখা যায়। পৃথিবীৰ প্ৰধান বন্দৰবোৰ এই শ্ৰেণীৰ অন্তৰ্ভুক্ত।

## ● অনুশীলনী ●

1. **তলত উল্লেখ কৰা চাৰিটা সম্ভাব্য উত্তৰৰ পৰা** শুদ্ধ উত্তৰ বাছি উলিওৱা ঃ—

(i) পৃথিবীৰ বৃহৎ বন্দৰবোৰ হল ঃ—

(a) নাবিক বন্দৰ (b) তৈল বন্দৰ

(c) সামূহিক বন্দৰ (d) শিল্প বন্দৰ

(ii) তলৰ উল্লেখ কৰা কোনখন মহাদেশৰ বিশ্ববাণিজ্য প্ৰবাহ আটাইতকৈ বেছি ঃ—

(a) এচিয়া (b) উত্তৰ আমেৰিকা (c) ইউৰোপ (c) আফ্ৰিকা

(iii) দক্ষিণ আমেৰিকাৰ কোনখন দেশ OPEC খণ্ডৰ অন্তৰ্গত ঃ—

(a) ব্ৰাজিল (b) চিলি (c) ভেনিজুৱেলা (d) পেৰু।

(iv) তলৰ উল্লেখ কৰা বাণিজ্যখণ্ডৰ ভিতৰত ভাৰতবৰ্ষ কোনটোৰ সহযোগী সদস্য ঃ—

(a) SAFTA (b) OECD (c) ASEAN (d) OPEC

2. **নিম্ন উল্লেখিত প্ৰশ্নবোৰ ৩০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়া—**

(i) বিশ্ববাণিজ্য সন্থাৰ প্ৰাথমিক কাৰ্য্য কি?

(ii) পৰিশোধ ভাৰসাম্য নেতিবাচক হলে দেশখনৰ বাবে পৰিপন্থী হয় কিয়?

3. **নিম্ন উল্লেখিত প্ৰশ্নবোৰ ১৫০টা মান শব্দৰ ভিতৰত উত্তৰ দিয়া।**

(i) বাণিজ্যৰ ক্ষেত্ৰত বন্দৰ বোৰৰ প্ৰয়োজনীয়তা কি যুক্তি সহকাৰে বুজাই লিখা।

(ii) বিশ্ব বাণিজ্যৰ পৰা দেশবোৰ কেনেকৈ লাভান্বিত হয় লিখা।

———